# NSD NEWS BULLETIN

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 16-09-2026

**Time :** 1340 Hrs.

## *Assamese MIDDAY Bulletin*

**:::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ যশোভূমি ছেমিকন ইণ্ডিয়া সন্মিলন আৰু প্ৰদৰ্শনীৰ পঞ্চম সংস্কৰণ মুকলি কৰিব।

২। সমগ্ৰ দেশত কাইলৈ পৰিচ্ছন্নতাই সেৱা অভিযান, ২০২৬ আৰম্ভ হ'ব।

৩। মিজোৰামত জৈৱিক খেতি প্ৰসাৰৰ ওপৰত কেন্দ্ৰীয় মন্ত্ৰী ৰক্ষা নিখিল খাড়ছেই গুৰুত্ব আৰোপ কৰিছে।

৪। উত্তৰাখণ্ডৰ আউলীত ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ যুটীয়া সামৰিক অনুশীলনৰ ২২ সংখ্যক সংস্কৰণ অনুষ্ঠিত হৈছে। ***আৰু***

৫। ভাৰত আৰু আফগানিস্তানৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল কাইলৈ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ যশোভূমি ছেমিকন ইণ্ডিয়া সন্মিলন আৰু প্ৰদৰ্শনীৰ পঞ্চম সংস্কৰণ মুকলি কৰিব। এই তিনিদিনীয়া সন্মিলনে এখন ধ্বজাবাহী মঞ্চ হিচাপে কাম কৰিব আৰু গোলকীয় ছেমি কণ্ডাক্টৰ আৰু বৈদ্যুতিন খণ্ডৰ প্ৰতিষ্ঠানসমূহক একত্ৰিত কৰি সমন্বয় বৃদ্ধি, উদ্ভাৱন, উৎপাদন সামৰ্থ বৃদ্ধি, বিনিয়োগ আকৰ্ষিত কৰা আৰু ভৱিষ্যতৰ বাবে সাজু প্ৰতিভাৰ বিকাশত অৰিহণা যোগাব। এই প্ৰদৰ্শনীত বিশ্বৰ বিভিন্ন প্ৰান্তৰ ৬০০তকৈ অধিক প্ৰদৰ্শনকাৰী, ৩০০তকৈ অধিক আন্তঃৰাষ্ট্ৰীয় কোম্পানী আৰু ৪০ খনতকৈ অধিক দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। প্ৰদৰ্শনীখনত ছখন দেশ, ১২ খন ৰাজ্য আৰু ষ্টাৰ্টআপ প্ৰতিষ্ঠানৰ বাবে এটা সুকীয়া মণ্ডপ থাকিব। এই সন্মিলন তথা প্ৰদৰ্শনীত ছেমী কণ্ডাক্টৰ নিৰ্মাণ আৰু প্ৰযুক্তিকে ধৰি ছেমি কণ্ডাক্টৰ আৰু বৈদ্যুতিক খণ্ডৰ শেহতীয়া শৈলী আৰু গুৰুত্বপূৰ্ণ খণ্ড সন্দৰ্ভত উচ্চ পৰ্যায়ৰ আলোচনা আৰু কৌশলগত অধিৱেশনৰ আয়োজন কৰা হ'ব। এই সন্মিলনে ভাৰতীয় আৰু আন্তঃৰাষ্ট্ৰীয় কোম্পানীসমূহৰ বাবে সহযোগিতাৰ অন্বেষণ, বিনিয়োগৰ সুযোগ, প্ৰযুক্তিগত সহযোগিতা আৰু বিশ্বাসী গোলকীয় ছেমি কণ্ডাক্টৰ সহযোগী হিচাপে ভাৰতৰ স্থিতি অধিক সবল কৰি তুলিব।

০০০০

সমগ্ৰ দেশত কাইলৈ পৰিচ্ছন্নতাই সেৱা অভিযান, ২০২৬ আৰম্ভ হ'ব। ১৭ অক্টোবৰলৈ চলিবলগীয়া এই অভিযানৰ অধীনত চক্ৰীয় অৰ্থনীতি তথা আৱৰ্জনাৰ পৰা সম্পদ উদ্যমৰ জৰিয়তে পূৰ্বে চিহ্নিত ঠাই আৰু অধিক ভিৰ হোৱা ৰাজহুৱা স্থানসমূহ পৰিষ্কাৰ কৰি তোলা, যুৱ প্ৰজন্মৰ অংশগ্ৰহণ বৃদ্ধি আৰু পৰিচ্ছন্নতাৰ পৰা সমৃদ্ধিৰ দৃষ্টিভংগীৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰা হ'ব। এই বছৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে – 'পৰিচ্ছন্নতাৰ অভিযানত সহযোগিতা পৰিষ্কাৰ ভাৰত, বিকশিত ভাৰত'। এই বিষয়বস্তুৰ জৰিয়তে পৰিষ্কাৰ আৰু বিকশিত ভাৰতৰ দৃষ্টিভংগী পূৰণৰ ক্ষেত্ৰত সমূহীয়া অংশগ্ৰহণ আৰু উমৈহতীয়া দায়িত্বৰ বিষয়ে আলোকপাত কৰা হৈছে।

০০০০

মিজোৰামত জৈৱিক খেতি প্ৰসাৰৰ ওপৰত কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া দপ্তৰৰ ৰাজ্য মন্ত্ৰী ৰক্ষা নিখিল খাড়ছেই গুৰুত্ব আৰোপ কৰিছে। ৰাজ্যখনত কৃষি উৎপাদন বৃদ্ধি আৰু থলুৱাভাৱে উৎপাদিত সামগ্ৰীসমূহে বহিঃৰাজ্যত বজাৰ লাভ কৰিব পৰাকৈ জৈৱিক খেতিৰ ওপৰত গুৰুত্ব দিবলৈ তেওঁ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে কালি আইজলত উপস্থিত হৈ ছাইটুৱাল জিলাত বিভিন্ন চৰকাৰী বিভাগৰ শীৰ্ষ বিষয়া আৰু ক্ৰীড়া সংগঠনৰ প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হয়। এই বৈঠকত অংশ লৈ মন্ত্ৰীগৰাকীয়ে কয়, যে মিজোৰামত জৈৱিক খেতিৰ প্ৰচুৰ সম্ভাৱনা আছে আৰু ৰাজ্যখনে উচিত ব্যৱস্থাৰে কৃষি আৰু উদ্যান শস্যসমূহ পেকেজিঙৰ জৰিয়তে বহিঃৰাজ্যলৈ ৰপ্তানি কৰিব পাৰে। তেওঁ চৰকাৰী বিষয়াসকলৰ উপৰি স্থানীয় লোকসকলক এই বিষয়টো গুৰুত্ব সহকাৰে লৈ কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহৰ সুবিধা যোগ্যজনে পোৱাটো নিশ্চিত কৰিবলৈ আহ্বান জনায়। তেওঁ ৰাজ্যখনৰ ক্ৰীড়া মন্ত্ৰী লালিংল'ভা মা'ৰৰ সৈতে আলোচনাত মিলিত হয়। তেওঁ মিজোৰামৰ ক্ৰীড়া আন্তঃগাঁথনি শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰে। তেওঁ লগতে বিদ্যালয় পৰ্যায়তে শিক্ষাৰ্থীসকলৰ ক্ৰীড়া প্ৰতিভা চিনাক্ত কৰিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে যুৱ প্ৰজন্মক চৰকাৰৰ মেৰা যুৱ ভাৰত কাৰ্যসূচীৰ অধীনত মাদকদ্ৰব্য বিৰোধী অনুষ্ঠানত অংশ ল'বলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে আজি ছাইটুৱালৰ কলাছিৰত চৰকাৰী বিষয়াসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে মত বিনিময় কৰিব। তেওঁ আইজললৈ উভতি যোৱাৰ পূৰ্বে ছাইটুৱাল জিলা চিকিৎসালয়খনো পৰিদৰ্শন কৰিব।

oooo

উত্তৰাখণ্ডৰ আউলীত ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ যুটীয়া সামৰিক অনুশীলনৰ ২২ সংখ্যক সংস্কৰণ অনুষ্ঠিত হৈছে। দুয়ো দেশৰ সামৰিক বাহিনীৰ ৬০০ জনকৈ জোৱানে এই অনুশীলনত অংশগ্ৰহণ কৰিছে। আউলীৰ লগতে ৰাজস্থানৰ মহাজন ফিল্ড ফায়াৰিং ৰেঞ্জতো এই অনুশীলনৰ আয়োজন কৰা হৈছে। দুয়োটা বাহিনীৰ পাৰস্পৰিক কাৰ্যক্ষমতা বৃদ্ধি কৰাৰ লগতে নিত্য নতুন প্ৰত্যাহ্বানসমূহৰ মুখামুখি হোৱা আৰু দ্বিপাক্ষিক প্ৰতিৰক্ষা অংশীদাৰিত্বক শক্তিশালী কৰাৰ বাবে এই অনুশীলনৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীয়ে দুয়ো দেশৰ সেনা বাহিনীৰ যুটীয়া সামৰিক সামৰ্থ বৃদ্ধি কৰাৰ ফলত পৰ্বতীয়া বা পৰ্বতৰ কাষৰীয়া অঞ্চলৰ ভূখণ্ডত যুদ্ধ গোটত নিয়োগৰ ক্ষেত্ৰত দুয়ো দেশৰ সেনা যুদ্ধ সামৰিক শক্তি বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে ইয়াৰ ফলত পাৰস্পৰিক কাৰ্যক্ষমতা বৃদ্ধি পাব আৰু দুয়োপক্ষই উত্তম কাৰ্যকৰী সামৰিক পদ্ধতিসমূহৰ আদান-প্ৰদান কৰি যৌথ পৰিকল্পনা আৰু ৰূপায়ণ ব্যৱস্থা শক্তিশালী কৰি তুলিব। এই প্ৰশিক্ষণকালত বিভিন্ন ধৰণৰ প্ৰযুক্তিৰ সহায় লোৱা হৈছে।

oooo

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে চৰকাৰক প্ৰদান কৰা কৰ সম্পৰ্কীয় প্ৰস্তাৱসমূহত মূল্য হ্ৰাস, ৰেহাই আদিৰ উপৰি ৰাষ্ট্ৰক প্ৰথম স্থানত ৰখা উচিত বুলি মন্তব্য কৰিছে। বেংগালুৰুত অনুষ্ঠিত New Age Taxation শীৰ্ষক দুদিনীয়া সন্মিলনত উদ্বোধনী ভাষণ দি শ্ৰীমতী সীতাৰমনে শিক্ষাবিদ, গৱেষক আৰু চিন্তাবিদসকলক স্বতন্ত্ৰ কৰ নীতি গৱেষণাক ৰাজহুৱা ব্যৱস্থাৰ নিয়মীয়া অংশ কৰি তুলিবলৈ আহ্বান জনায়। আন্তঃৰাষ্ট্ৰীয় কৰ গৱেষণা আৰু বিশ্লেষণ ফাউণ্ডেচনে আয়োজন কৰা এই অনুষ্ঠানত শ্ৰীমতী সীতাৰমনে বিত্তমন্ত্ৰালয়ৰ প্ৰাক্ বাজেট পৰামৰ্শ সন্দৰ্ভত কয়, যে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ দিশে আগবঢ়াৰ সময়ত এনে আলোচনাত পৰৱৰ্তী দুটা দশকত দেশত কেনেধৰণৰ কৰ ব্যৱস্থা হোৱা উচিত সেই বিষয়ে প্ৰশ্ন উত্থাপন হ'ব লাগিব।

oooo

আজি বিশ্ব অ'জন দিৱস। এইবাৰৰ দিৱসৰ মূল বিষয়বস্তু হৈছে – 'শীতল ধৰিত্ৰীৰ বাবে বিশ্বজনীন ব্যৱস্থা'। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন দপ্তৰৰ ৰাজ্য মন্ত্ৰী কীৰ্তিবৰ্ধন সিঙে কয়, যে অ'জন স্তৰক ক্ষতিকাৰক অতি বেঙুনীয়া ৰশ্মিৰ বিৰূপ প্ৰভাৱৰ পৰা আমাক ৰক্ষা কৰাৰ কৱচ বুলি অভিহিত কৰিছে।

মন্ত্রীগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে এই দিৱসে অ'জন স্তৰক সুৰক্ষিত কৰাৰ প্ৰচেষ্টা যে ঘৰৰ পৰাই আৰম্ভ হয়, সেই বিষয়ে সোঁৰৰাই দিয়ে। তেওঁ কয়, যে এ চিৰ তাপমাত্ৰা ২৪ ডিগ্ৰী ছেলছিয়াছত বৰ্তাই ৰখা আৰু বিদ্যুৎ ৰাহি কৰা সঁজুলিৰ ব্যৱহাৰে নিৰ্গমন হ্ৰাস কৰা আৰু সুস্থ পৃথিৱী গঢ়াত সহায় কৰে। অ'জন স্তৰৰ সংৰক্ষণ মানৱ স্বাস্থ্য, জৈৱ বৈচিত্ৰ আৰু জলবায়ু সুস্থিৰতাৰ বাবে অতিকে গুৰুত্বপূৰ্ণ বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক সুৰক্ষিত ভৱিষ্যতৰ বাবে বহনক্ষম জীৱনশৈলী আঁকোৱালি ল'বলৈ আহ্বান জনায়।

০০০০

ভাৰত আৰু আফগানিস্তানৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয় আৰু অন্তিমখন খেল কাইলৈ নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত হব। ভাৰতে প্ৰথম দুখন খেলত জয়লাভ কৰি ইতিমধ্যে শৃংখলাত ২-০ ফলাফলেৰে অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। ভাৰতে যোৱানিশা একেখন ষ্টেডিয়ামত অনুষ্ঠিত দ্বিতীয়খন খেলত আফগানিস্তানক ৭ উইকেটত পৰাস্ত কৰে। ভাৰতে ১৬০ ৰানৰ লক্ষ্য অনুসৰণ কৰি ১৪ অভাৰ আৰু ৫টা বলত ৩টা উইকেট হেৰুৱাই ১৬৩ ৰান সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে আফগানিস্তানে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৫৯ ৰান সংগ্ৰহ কৰে।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, হাৰিয়ানা, চণ্ডীগড়, পঞ্জাব, দিল্লী আৰু আন্দামান-নিকোবৰ দ্বীপপুঞ্জত আজি প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগে কেৰালা, মাহে, পশ্চিমবংগ, ছিকিম, তামিলনাডু, পুডুচেৰী আৰু কড়াইকালতো একেধৰণৰ বতৰ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। ইপিনে, বিহাৰ, জম্মু আৰু কাশ্মীৰ, লাডাখ, ঝাৰখণ্ড, ওড়িশা আৰু ৰাজস্থানত অহা ২-৩ দিনলৈ ধুমুহা আৰু গাজনিৰে বৰষুণ অহাৰ আগলি বতৰা দিছে।

০০০০

সমাপ্ত

COMMONWEALTH

ভাৰতীয় সংসদীয় প্ৰতিনিধি দলে দক্ষিণ আফ্ৰিকাৰ কেপ টাউনত অনুষ্ঠিত হোৱা ৬৯ সংখ্যক কমনৱেলথ সংসদীয় সন্মিলনত অংশগ্ৰহণ কৰিছে। ৰাজ্যসভাৰ উপ সভাপতি হৰিৱংশৰ নেতৃত্বৰ এই প্ৰতিনিধি দলটোৰ লগতে সন্মিলনত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৩২ গৰাকী প্ৰিচাইডিং অফিছাৰ উপস্থিত থাকে।

ৰাজ্যসভা সচিবালয়ৰ পৰা প্ৰকাশিত বিবৃতি অনুসৰি কেপ টাউনত উপস্থিত হৈ ৰাজ্যসভাৰ উপ সভাপতি হৰিৱংশে ৰাষ্ট্ৰীয় বিধানসভাৰ অধ্যক্ষ এঞ্জেলা থোকোজিলে ডিডিজা, দক্ষিণ আফ্ৰিকাৰ প্ৰদেশসমূহৰ ৰাষ্ট্ৰীয় পৰিষদৰ উপ-সভাপতি পুবালান গভেণ্ডাৰ আৰু ৰাষ্ট্ৰীয় বিধানসভাৰ উপ-সভাপতিৰ সৈতে কালি দ্বিপাক্ষিক বৈঠকত মিলিত হয়। বৈঠকসমূহে পাৰস্পৰিক সংসদীয় স্বাৰ্থৰ বিষয়সমূহ সন্দৰ্ভত মত বিনিময় কৰাৰ লগতে ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত ঘনিষ্ঠ আৰু দীৰ্ঘদিনীয়া সংসদীয় সম্পৰ্কক অধিক শক্তিশালী কৰাৰ সুযোগ প্ৰদান কৰে।

ৰাজ্যসভাৰ উপ সভাপতি হৰিবংশে ৬৯ সংখ্যক কমনৱেলথ সংসদীয় সন্মিলনৰ সাধাৰণ পৰিষদতো “কমনৱেলথৰ বাবে নতুন নেতৃত্বৰ সুযোগ: গণতন্ত্ৰ আৰু আন্তঃৰাষ্ট্ৰীয় আইন শক্তিশালী কৰাৰ বাবে সংসদীয় পদক্ষেপ” শীৰ্ষক বিষয়বস্তু সন্দৰ্ভত ভাষণ দিব। ৬৯ সংখ্যক সন্মিলনত ভাৰতৰ অংশগ্ৰহণে কমনৱেলথৰ ভিতৰত সংসদীয় গণতন্ত্ৰ, বিধানসভাৰ সহযোগিতা আৰু আন্তঃসংসদীয় সংযোগ শক্তিশালী কৰাৰ লগতে ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত শক্তিশালী সংসদীয় সম্পৰ্ক অধিক ফলপ্ৰসূ কৰাৰ ক্ষেত্ৰত থকা দায়বদ্ধতাক প্ৰতিফলিত কৰে।